# ECHO OF HIS CALL

**যীচু খ্ৰীষ্টৰ আহ্বানৰ প্ৰতিধ্বনি** **ASSAMESE**

*India's National Spiritual Newspaper*

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAANS

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. Bornali Thapa Raj

VOL.XX YEAR OF OUR LORD JESUS CHRIST, 2020 FEBRUARY No: 11


## Holy Bible

*PSALM 20:1-9*

## পবিত্ৰ বাইবেল

**এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক!**

**প্ৰভূৰ প্ৰশংসা হওঁক!**

**গীতমালা ২০ঃ১-৯**

১। হে ৰজা, যিহোৱাই সংকটৰ কালত আপোনাক উত্তৰ দিয়ক; যাকোবৰ ঈশ্বৰৰ নামে আপোনাক উচ্চ স্থানত স্থাপন কৰক।

২। তেওঁৰ পৱিত্ৰ স্থানৰ পৰা আপোনালৈ সহায় পঠাওক; চিয়োনৰ পৰা আপোনাক শক্তিদান কৰক।

৩। আপোনাৰ সকলো নৈবেদ্য সোঁৱৰণ কৰক; আপোনাৰ হোম বলি গ্ৰহণ কৰক।

৪। আপোনাৰ সকলো মনৰ বাঞ্ছা পূৰ কৰক। আপোনাৰ সকলো আলচ সিদ্ধ কৰক।

৫। আমি আপোনাৰ পৰিত্ৰাণত আনন্দ ধ্বনি কৰিম, আমাৰ ঈশ্বৰৰ নামে আমি নিচান তুলিম; যিহোৱাই আপোনাৰ সকলো প্ৰাৰ্থনা সাম্ফল কৰক।

৬। এতিয়া মই জানো যে, যিহোৱাই নিশ্চয়ে তেওঁৰ অভিষিক্তজনাক পৰিত্ৰাণ দিব, তেওঁ নিজ পৰিত্ৰাণ দিওঁতা সোঁহাতৰ শক্তিৰে নিজ পৱিত্ৰ স্বৰ্গৰ পৰা তেওঁক উত্তৰ দিব।

৭। কোনোৱে ৰথত, কোনোৱে ঘোঁৰাত ভাৰসা কৰে, কিন্তু আমি হ'লে, আমাৰ ঈশ্বৰ যিহোৱাৰ নাম মুখত লওঁ।

৮। সিহঁতে উজুটি খাই পৰিল, কিন্তু আমি হ'লে উঠি থিয় হৈ আছো।

৯। হে যিহোৱা, উদ্ধাৰ কৰা, আমি প্ৰাৰ্থনা কৰা কালত ৰজাই আমাক উত্তৰ দিয়ক।

# আপোনাৰ ভৱিষ্যতক আপুনি নিজেই গঠন কৰক!

## Frame your future yourself!

"... তুমি যেন তোমাৰ ঈশ্বৰ যিহোৱাক প্ৰেম কৰা, তেওঁৰ বাক্যলৈ কাণ দিয়া আৰু তেওঁত আসক্ত হোৱা, কিয়নো সেয়ে তোমাৰ জীৱন আৰু তোমাৰ দীঘল আয়ুস..."
(দ্বিতীয় বিৱৰণ ৩০ঃ২০)

**(মুখ্য মণ্ডলীত পালক এচ, চাম ছেলভা ৰাজে বিলোৱা বাৰ্তা)**

এই পৃথিৱীৰ মানুহবোৰে ৰোগ, ব্যাধি নোহোৱাকৈ জীৱনত উন্নতি আৰু দীৰ্ঘজীৱীৰ বাবে আশা কৰি থাকে আৰু ইয়াত উপনীত হ'বলৈ বহুত ধৰণৰ উপায় আৰু প্ৰয়াস কৰে। এই প্ৰয়াসত বহুতেই জয়যুক্ত হয় আৰু বহুতেই ব্যৰ্থতা হয়। এষাৰ কথা আছে সকলো জ্ঞানীয়েই সাফল্যমণ্ডিত নহয় আৰু সকলো সাফল্যমণ্ডিত লোক জ্ঞানী নহয়। এই পৃথিৱীত যিকোনো ক্ষেত্ৰত সাফলতা লাভ কৰিবলৈ হ'লে এজনে ঈশ্বৰৰ অনুগ্ৰহ আৰু দয়া পাব লাগিব।

সৰ্বশক্তিমান ঈশ্বৰে তেওঁত দৃঢ়ভাৱে বিশ্বাস কৰা লোকসকলক বহুত উত্তম বস্তু আৰু আধুনিক কৌশল দান কৰিছে। আজিকালি বহুত ধৰণৰ বস্তু ব্যৱহাৰ কৰি আছো যেনে - বিজুলী, বিভিন্ন ধৰণৰ বাল্ব, গাড়ী, দুচকীয়া বাহন, বিমান, ৰেলগাড়ী, ট্ৰেক্টৰ, ঘড়ী, কেমেৰা, চিলাই মেচিন, ঔষধ ইত্যাদি। কিন্তু এই বস্তুবোৰৰ আৱিস্কাৰকসকলৰ পটভূমিক যেতিয়া অধ্যয়ন কৰো আমি জানি আচৰিত হওঁ যে আৱিষ্কাৰৰ সকলো বস্তুৰ পাছত আমাৰ ঈশ্বৰৰ হাত আছে। গতিকে সৃষ্টিকৰ্তাক নজনা লোকে এই পৃথিৱীত বহুত কম বস্তু আৱিষ্কাৰ কৰিছে। কিন্তু ঈশ্বৰৰ লোকবিলাকে আৱিষ্কাৰ কৰা ফলবোৰক আমি সকলোৱেই উপভোগ কৰি আছো।

ঈশ্বৰে আপোনাৰ যোগেদি এই বছৰত কিবা এক নতুন কৰিব বিচাৰে। ঈশ্বৰৰ পৰিকল্পনা আৰু ইয়াৰ সম্পাদন এই সকলো কাৰ্য ঈশ্বৰৰ হাতত আছে যেনে আমি বতাহ আৰু বৰষুণ, সূৰ্যৰ পোহৰ আৰু চন্দ্ৰৰ পোহৰ উপভোগ কৰো ঈশ্বৰত কোনো পক্ষপাত নাই (ইফিচীয়া ৬ঃ৯)। এনেকুৱাও হ'ব পাৰে যে ঈশ্বৰৰ পৰিকল্পনা আপোনাৰ যোগেদি প্ৰকাশ হ'ব পাৰে আৰু আপুনি ব্যাপকভাৱে আশীৰ্বাদ পাব পাৰে। আমাৰ ঈশ্বৰে ধূলিৰ পৰা কঙালক তোলে আৰু গোবৰৰ দ'মৰ পৰা দৰিদ্ৰক উঠাই (১ চামূৱেল ২ঃ৮)। আপুনি যদি সকলো বস্তু হেৰুৱাই দিছে কিন্তু

*২ পৃষ্ঠাত চাওঁক*

## শিক্ষাৰ দ্বাৰা জীৱনবিলাকৰ স্পৰ্শ...১৯৬৯ ৰ পৰা

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

ইংৰাজী, তামিল, মালায়ালাম, তেলুগু, হিন্দী, মাৰাঠী, কানাড়, বেংগলী, গুজৰাট, উৰিয়া, নেপালী, অসমীয়া, পঞ্জাৱী, উৰ্দ্দু, সিংহলী আৰু আফ্রিকান (মাহেকীয়া আলোচনী)



“যিহোৱাই... মংগলৰ অৰ্থে তোমাক ঐশ্বৰ্যৱন্ত কৰিব”
(দ্বিতীয় বিৱৰণ ২৮ঃ১১)

প্ৰভু যীচু খ্ৰীষ্টত প্ৰিয় বন্ধুসকল,

আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ মূল্যৱান নামত আমি আপোনালোকক শুভেচ্ছা জনালোঁ ঈশ্বৰে তেওঁৰ শুভবাৰ্তাৰ যোগেদি বিভিন্ন সংস্কৃতিৰ লোকসকলৰ জীৱনবিলাকক স্পৰ্শ কৰি আশীৰ্বাদ কৰাৰ বাবে আমি তেওঁক ধন্যবাদ জনাইছো। আপোনালোকে এই আলোচনীখন পঢ়াৰ বাবে, প্ৰাৰ্থনা কৰাৰ বাবে আৰু আমাক সহায় কৰাৰ বাবে আমি আপোনালোকলৈ অতিকৈ কৃতজ্ঞ।

আমাৰ বহুবিধ পৰিচৰ্যাসমূহৰ যোগেদি ২০১৯ বৰ্ষৰ ১ ডিচেম্বৰৰ পৰা ২০২০ বৰ্ষৰ ৩১ জানুৱাৰী মাহলৈকে মহিমান্বিত শুভবাৰ্তা পঠোৱাত আমি বহুত ব্যস্ত আছিলো।

দেশসমূহৰ বাবে ঈশ্বৰে তেওঁৰ দৰ্শন পৰিপূৰ্ণ কৰিবলৈ তেওঁ এজন বিশ্বস্ত শিক্ষাগুৰু হিচাবে আৰু আমাক সহায় কৰিবৰ বাবে আমাৰ মৌলিক আৱশ্যকীয় বস্তুসমূহ যোগাই আছে। আপোনালোকৰ পত্ৰ, এচ.এম.এচ., ই-মেইল, হোৱাটচ্ আপ, টেলিফোনিক বাৰ্তা ইত্যাদিৰ যোগেদি আমি উৎসাহিত হৈছো। আপোনাৰ দয়াৰ বাবে আমি প্ৰচুৰ পৰিমাণে আশীৰ্বাদ পাইছো। এচ.এম.এচ আৰু হোৱাটচ্ আপ পৰিচৰ্যাৰ যোগেদি আমাক শুভেচ্ছা জনোৱা সকলো বন্ধুবৰ্গলৈ আমি ধন্যবাদ জনাইছো।

তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ ২০২০ বৰ্ষৰ জানুৱাৰী মাহত উল্লেখ কৰা আমাৰ প্ৰাৰ্থনাৰ সকলো বিষয়বস্তুৰ বাবে ঈশ্বৰৰ পৰা আমি ভাল সঁহাৰি পাইছো। আমি সঁচাকৈয়ে আমাৰ প্ৰাৰ্থনাৰ অংশীদৰী আৰু সহায়কাৰীসকলৰ বাবে আমি গৰ্বিত হৈছো।

আমাৰ চেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকলে প্ৰতি বছৰে চৰকাৰী পৰীক্ষাত ভাল নম্বৰ লৈ পাচ কৰি আহিছে। এই বছৰ ২০২০ বৰ্ষৰ এপ্ৰিল মাহতো হ'বলগীয়া চৰকাৰী পৰক্ষাত আমাৰ ছাত্ৰ-ছাত্ৰীসকলে কৃতকাৰ্য হ'বৰ বাবে আমি আপোনালোকলৈ প্ৰাৰ্থনাৰ বাবে অনুৰোধ জনাইছো।

আমাৰ মণ্ডলীবোৰ, ১৬ টা ভাষাৰ প্ৰকাশন, নহিমিয়া বাইবেল কলেজ, শুভবাৰ্তাৰ ছপাশাল আৰু আন আন কাৰ্যক্ৰমণিকাৰ বাবে আমি আপোনালোকৰ প্ৰাৰ্থনাৰ সহায়ৰ বাবে অনুৰোধ জনালো। ঈশ্বৰত আমি আপোনালোকক প্ৰেম কৰো আৰু আপোনাৰ বাবে প্ৰাৰ্থনা কৰো।

ঈশ্বৰে আপোনালোকক আশীৰ্বাদ কৰক।

খ্ৰীষ্ট যীচুত আপোনাৰ সেৱক
এচ. চাম ছেলভা ৰাজ।

*(প্ৰথম পৃষ্ঠাৰ পৰা)*

মনত ৰাখিব যে আপুনি আপোনাৰ ভৱিষ্যতক হেৰুওৱা নাই। যুগুত হওক আৰু প্ৰভু যীচু খ্ৰীষ্টই আপোনাৰ বাবে ৰাখি থোৱা আশীৰ্বাদবোৰ উত্তৰাধিকাৰী হওকঙ্গ

মোৰ জীৱনত একেই ধৰণৰ অৱস্থা আছিল। ৫০ বছৰ আগেয়ে মোৰ বন্ধু আৰু সম্বন্ধীয়সকলৰ কিছুমানে মদ্যপান, ড্ৰাগছ, চিনেমাত আসক্ত হৈ আছিল। কিছুমানে মাংসৰ অভিলাষ, ব্যভিচাৰ, মিছলীয়া, আনক হাৰাশাস্তি কৰা, চোৰ, ধনৰ লোভৰ বশৱৰ্তী হৈ আছিল আৰু ঈশ্বৰৰ বাক্যক ত্যাগ কৰিছিল। ময়ো কলংকৰ পৰা সাৰি যোৱা নাছিলো। কিন্তু আমাৰ প্ৰভু যীচু খ্ৰীষ্টই মোক এই ভয়ানক




**CHIEF EDITORS**
Pastor S. Sam Selva Raj
Angeline Selvakumari Henry, M.A., M.Ed.

**MANAGING EDITOR**
Pastor Alex Samson Sam, B.Th., M.Div.

**ADMINISTRATION**
Bro. N. Prakasam, M.A., General Manager

**EDITORIAL BOARD**
Sis. Jesy Veena Sam
Bro. M. Paulraj, M.A., B.Ed.
Sis. Serena Bevin, M.A., M. Phil., B.Ed.

**ADVISORY BOARD**
Adv. Jose Abraham
Adv. N. Balaji, B.Com., B.L.
Dr. S. Rabinder Boaz, M.S.
Er. C.G.S. Baburao, B.Tech., M.Tech. (DM)
Aud. K. Puratchivendan, M.Com., B.L.
Bro. Rajeswaran Samuel, B.Com.

**PUBLISHER & PRINTER**
Pastor S. SAM SELVA RAJ
**Echo of His Call Printers**
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
**Phone :** (+91-44) 2852 8282
2852 9293, 2854 7766
**Email :** sam@echoofhiscall.org
biblecor@yahoo.co.in
**Websites :**
www.echoofhiscall.org
www.echoofhiscall.com

**Our Ministries:** ECHO OF HIS CALL Monthly Magazines (16 languages) BIBLECOR - Postal Courses (3 languages) Theological Correspondence Courses (2 languages) Church Planting Nehemiah Bible Colleges Gospel Printing Press Great Commission Partners Village English High School Crusades 100 Prayer Warriors Community Development

পাপবোৰৰ পৰা ৰক্ষা কৰিলেঙ্গ এনে সংকটৰ মুহূৰ্তত, মই একো কৰিব নোৱাৰিলো কিন্তু এটা সিদ্ধান্ত ল'লো।

যেতিয়া মই নিৰন্তৰ পৰিৰৰ্তনত আছিলো ভাই জি. জেয়ানাথ পৌলমণি নামৰ এজন ক্লাচৰ বন্ধুৱে মোক এখন শুভবাৰ্তাৰ পত্ৰিকা দি মোক পঢ়িবলৈ ক'লে আৰু সেই পত্ৰিকা চেন্নাইত থকা ভাই চামুৱেল দানিয়েলৰ দ্বাৰাই প্ৰকাশ কৰা হৈছিল। মই এই পত্ৰিকা দুই মিনিটতে পঢ়ি শেষ কৰিছিলো। পত্ৰিকাখনৰ মূল বাৰ্তাটো আছিল যীচু খ্ৰীষ্টই আপোনাক প্ৰেম কৰে। ইয়ে মোক অতিকৈ আকৰ্ষিত কৰিলে। গতিকে সেই পত্ৰিকাখন মই বাৰে বাৰে পঢ়িছিলোঙ্গ

মই বুজি পালো যে প্ৰভু যীচু খ্ৰীষ্টই কি ভাল আৰু কি বেয়া তাৰ বিষয়ে শিক্ষা দিয়ে। মই তেতিয়া ভাল কি হয় তাক বিচাৰি অনুসন্ধান কৰিলো। আৰু ঈশ্বৰে মোক আঁতৰাই আনিলে। “কিন্তু জানিবা যিহোৱাই নিজৰ নিমিত্তে সাধুজনক বেলেগ কৰি ৰাখিলে...” (গীতমালা ৪ঃ৩)। মই চৰ্তহীনভাৱে মোৰ সম্পূৰ্ণ হৃদয় আৰু ভৱিষ্য তেওঁলৈ সমৰ্পণ কৰিলো। মই মোৰ আভ্যন্তৰীণ জীৱনত আনন্দ লাভ কৰিলো।

“মোৰ প্ৰিয় বগা আৰু ৰঙচীয়া; তেওঁ দহ হাজাৰৰ ভিতৰত অগ্ৰগণ্য, তেওঁৰ মূৰ অতি উত্তম নিৰ্মল সোণৰ নিচিনা; তেওঁৰ চুলি কোঁচা কেঁকোৰা-কেঁকুৰি আৰু ঢোৰা কাউৰীৰ নিচিনা ক'লা। তেওঁৰ চকুযুৰি জুৰিৰ দাঁতিত থকা দুটি কপৌৰ নিচিনা; যেন গাখীৰেহে ধোৱা হৈছে, আৰু সেয়ে উত্তমৰূপে পতোৱা বাখৰৰ সদৃশ; তেওঁৰ গাল দুখনি সুগন্ধি ফুল গছৰ এক ভেটিস্বৰূপ আৰু মচলা উৎপাদক লতাৰ স্তম্ভস্বৰূপ। তেওঁৰ ওঁঠ দুটি কনাৰি ফুলৰ সদৃশ; তাৰ পৰা দ্ৰব গন্ধৰস টোপটোপকৈ পৰে। তেওঁৰ হাত দুখনি বৈদুৰ্য্য বাখৰ পতোৱা সোণৰ আঙঠিৰ নিচিনা। তেওঁৰ শৰীৰ নীলকান্ত বাখৰেৰে ঢকা হাতী দাঁতৰ শিল্পকৰ্মৰ নিচিনা। তেওঁৰ ভৰি দুখন উত্তৰ সোণৰ আধাৰত বহুৱা বগা শিলৰ দুটি স্তম্ভৰ নিচিনা। তেওঁ দেখিবলৈ লিবানোনৰ নিচিনা, এৰচ গছৰ নিচিনা উত্তম। তেওঁৰ মুখ অতিশয় মধুৰ; এনে কি, তেওঁ সম্পূৰ্ণৰূপে মনোহৰ। হে যিৰূচালেমৰ জীয়াৰীবিলাক, এই জনায়েই মোৰ প্ৰিয়, এই জনায়েই মোৰ সখাঙ্গ” (চলেমিনৰ পৰমগীত ৫ঃ১০-১৬)।

তেওঁক মোৰ উদ্ধাৰকৰ্তাৰূপে গ্ৰহণ কৰাৰ দ্বাৰাই মই যীচুক এজন পৱিত্ৰ বন্ধু ৰূপে পালো আৰু জ্ঞানৰ উত্তৰাধিকাৰী হ'লো। ইয়াক বাছি লোৱাৰ দ্বাৰাই মোৰ জীৱন উত্থান-পতন হ'ল।

মই কথা কোৱাত দুৰ্বল আছিলো, পঢ়াত দুৰ্বল আছিলো, মোৰ কোনো ৰাজনৈতিক পটভূমি নাছিল, আৰ্থিক সহায় নাছিল বা মানুহো নাছিল। কিন্তু প্ৰভু যীচু খ্ৰীষ্টই মোক তুলিলে। এতিয়া মোৰ কোনো অভাৱ নাই। সেই একেই যীচু খ্ৰীষ্টই আপোনাকো তুলিব। তেওঁলৈ আহকঙ্গ ঙ্গ জীৱনত উত্তোলন নিশ্চিত আছেঙ্গঙ্গঙ্গ

মানৱ জাতিলৈ প্ৰভুৱে দিয়া এয়া এক ডাঙৰ সুযোগঙ্গ যদি আপুনি আগবাঢ়ি আহি ইয়াক বাচি লয় তেন্তে আপোনাৰ জীৱনৰ বাবেও ই এক সুযোগ হব। এই পাঠ্যক্ৰমৰ দ্বাৰাই আপুনি স্বৰ্গৰ ৰাজকীয় ধনৰ উত্তৰাধিকাৰী হ'ব। এক উত্তম মনোনীত মানেই আপুনি ঈশ্বৰে যি বিচাৰে তাকেই বাচি লোৱাক বুজায়।

আপোনাৰ অতীত জীৱন তিক্ততাৰে পৰিপূৰ্ণ হ'ব পাৰে কিন্তু আপুনি ভৱিষ্যতৰ বাবে চিন্তা কৰাৰ কোনো প্ৰয়োজন নাই। ভয় নকৰিব। এক ভাল খবৰ আপোনাৰ বাবে ৰৈ আছেঙ্গ আপুনি আপোনাৰ নিজৰ ভৱিষ্যতক বাচি ল'ব পাৰিবনে? ই আপোনাৰ হাততেই আছেঙ্গ বহু সময়ত ঈশ্বৰে আপোনাক কথা কয়। নিজকে উৎসৰ্গিত কৰি তেওঁলৈ বাধ্য হ'বলৈ আজিয়েই সিদ্ধান্ত লওক। সিদ্ধান্তটো আপোনাৰ নিজৰ হওক। আপোনাৰ কোনো সহকাৰীৰ প্ৰয়োজন নাই। কিয়নো ই কোনো অসম্ভৱ বিষয় নহয়, বা ই স্বৰ্গৰ কোনোবা ঠাইৰ নিচিনা দূৰৈত নাই যাৰ বাবে ওপৰলৈ উঠি গৈ আপোনাক কঢ়িয়াই আনিবৰ প্ৰয়োজন নাই। আপোনাৰ কেৱল এটাই কাৰ্য কৰিবলগীয়া আছে আৰু সেয়া হৈছে আপোনাৰ হৃদয়ত ঈশ্বৰক বিশ্বাস কৰক আৰু নিজ মুখেৰে ইয়াক ঘোষণা কৰক। আপোনাৰ ভৱিষ্য আপোনাৰ হৃদয়ত আপুনি নিৰ্মাণ কৰা বিশ্বাস আৰু আপোনাৰ নিজ মুখেৰে কোৱা বাক্যৰ ওপৰত নিৰ্ভৰ কৰিব।

“কিয়নো মই আজি তোমাক যি ব্যৱস্থা দিছো, সেয়ে তোমাৰ জ্ঞানে ঢুকি পাব নোৱাৰা নহয় আৰু সেয়ে তোমাৰ পৰা দূৰো নহয়। “সেয়ে আকাশত নহয় যে আমি তাক পালন কৰিবৰ নিমিত্তে, “কোনে আমাৰ কাৰণে আকাশলৈ উঠি তাক আনি আমাক শুনাব?” এই বুলি ক'ব লাগিব আৰু সেয়ে সমুদ্ৰৰ সিপাৰেও নহয় যে আমি তাক পালন কৰিবৰ নিমিত্তে কোনে আমাৰ কাৰণে সমুদ্ৰ পাৰ হৈ তাক আনি আমাক শুনাব? এই বুলি ক'ব লাগিব? কিন্তু পালন কৰিবৰ নিমিত্তে সেই বাক্য তোমাৰ নিচেই ওচৰতে, তোমাৰ মুখত আৰু তোমাৰ হৃদয়তে আছে” (দ্বিতীয় বিৱৰণ ৩০ঃ১১-১৪)।

দ্বিতীয় বিৱৰণ ৩০ঃ২০ পদত ঈশ্বৰে জীৱনৰ বাবে গুপুত বিষয়বোৰ দীৰ্ঘজীৱি আৰু জয়যুক্ত জীৱনৰ বিষয়ে স্পষ্টকৈ সাধাৰণভাৱে লিখি দিছে। আপোনাৰ ভালৰ এইটো হ'ব, যাতে আপুনি আপোনাৰ প্ৰভু ঈশ্বৰক প্ৰেম কৰিব, তেওঁৰ বাক্যৰ প্ৰতি বাধ্য হ'ব আৰু তেওঁলৈ আপুনি সদায় লাগি থাকিব। কিয়নো তেওঁ আপোনাৰ জীৱন আৰু আপোনাৰ জীৱনকালৰ বল হয়।

## ১। আপোনাৰ ঈশ্বৰক প্ৰেম কৰক

কিছুমান মানুহে এই জগতৰ প্ৰতি থকা প্ৰেমৰ বাবে ভুল ঠাইত তেওঁলোকৰ প্ৰেমক বিনিয়োগ কৰিছে। যেনে মাংসৰ অভিলাষত, চকুৰ অভিলাষত আৰু জীৱনৰ অহংকাৰত, “হে পিতৃবিলাক, যি জনা আদিৰে পৰা আছে, তেওঁক তোমালোকে জানিলা; এই কাৰণে তোমালোকলৈ লিখিলো। হে ডেকাবিলাক, তোমালোক বলৱন্ত আৰু ঈশ্বৰৰ বাক্য তোমালোকৰ অন্তৰত থাকে আৰু তোমালোকে পাপ আত্মাক জয় কৰিলা; এই কাৰণে তোমালোকলৈ লিখিলো। তোমালোকে জগতক বা জগতত থকা বিষয়বোৰক প্ৰেম নকৰিবা। কোনোৱে যদি জগতক প্ৰেম কৰে, তেন্তে পিতৃৰ প্ৰেম তেওঁৰ অন্তৰত নাই। কিয়নো জগতত যি সকলো আছে অৰ্থাৎ মাংসৰ অভিলাষ, চকুৰ অভিলাষ,

জীৱনকালৰ গৰ্ব, এইবোৰ পিতৃৰ পৰা উৎপন্ন নহয়, জগতৰ পৰাহে হয়। জগত আৰু তাৰ অভিলাষ গুচি যাব লাগিছে; কিন্তু যিজনে ঈশ্বৰৰ ইচ্ছা পালন কৰে, তেওঁ চিৰকাললৈকে থাকে” (১ যোহন ২ঃ১৪-১৭)।

এই জগতৰ বাতৰিবোৰলৈ চাওক, ঠায়ে ঠায়ে হত্যা, ডকাইত, ধৰ্ষণ, আৰ্থিক অপৰাধ ইত্যাদিবোৰ ঘটি আছে, যাৰ বাবে সাধাৰণ মানুহৰ জীৱনত প্ৰভাৱ পৰি আছে। এইবোৰ ঘটি থকাৰ কাৰণ হৈছে মানুহে অবৈধ ঠাইবোৰত তেওঁলোকৰ প্ৰেম দেখুৱায়। মানুহে সৃষ্টিকৰ্তা ঈশ্বৰৰ বিষয়ে নাভাবে। আৰু বহুতে তেওঁবিলাকৰ বিশ্বাসক সৃষ্টিৰ বস্তুবোৰত বিনিয়োগ কৰি আছে। বাইবেলে কয়, “তুমি যৌৱন কালতেই তোমাৰ সৃষ্টিৰ্তাক সোঁৱৰা’ (উপদেশক ১২ঃ৭) ৰাজনৈতিক নেতাসকললৈ যিসকলে নিজ নিজ জীৱনবোৰক শোধাই দিছে আৰু যিবিলাকে ধৰ্ষণ আৰু হত্যাত লিপ্ত হৈ থাকে তেনে লোকবিলাকৰ সংখ্যা বৃদ্ধি হৈছে। তেওঁলোকে সৃষ্টিকৰ্তাক পাহৰি গৈছে। প্ৰভু যীচু খ্ৰীষ্টই কৈছে, “কিন্তু তোমালোকে প্ৰথমে তেওঁৰ ৰাজ্য আৰু ধাৰ্মিকতা বিচৰা; তাতে এই সকলোও তোমালোকক দিয়া হ’ব” (মথি ৬ঃ৩৩)। বহুত কম মানুহে এই বাক্যৰ প্ৰতি মনোযোগ দিয়ে আৰু কাৰ্য কৰে।

প্ৰথম অৰ্থটো হ’ল, আপোনাৰ জীৱনৰ সকলো কাৰ্যবিলাকত প্ৰথমে ঈশ্বৰক আগভাগ দিয়া। এইদৰে কৰিলে আপুনি আপোনাৰ জীৱনত অদ্ভুত চিনবোৰ আৰু আচৰিত কৰ্মবোৰ দেখিব।

মই যিজনে আপোনাৰ আগত এই বিষয়ে কৈ আছো ইয়াৰ অভিজ্ঞতা মোৰ জীৱনত পাই আছো। মই আপোনালোকৰ আগত ভালকৈ সাক্ষ্য দি ক’ব পাৰো যে মোৰ সকলো ধন-সম্পত্তি, সময়, শিক্ষা, স্বাস্থ্য ইত্যাদিত প্ৰথমে মই মোৰ ঈশ্বৰক স্থান দিওঁ। সেয়েহে ঈশ্বৰে মোক হাজাৰ হাজাৰ লোকলৈ আশীৰ্বাদ চেনেলৰ দৰে ব্যৱহাৰ কৰি আছে। আপুনিও আগবাঢ়ি আহকঙ্গ আপোনাৰ যিকোনো বস্তুক ঈশ্বৰে লৈ নাযাব। বৰং ঈশ্বৰে আপোনাক সমৃদ্ধিশালী কৰিব আৰু আপোনাৰ পৰিশ্ৰমে আপোনাক বহুত ফল দিব আৰু আপোনাৰ বংশলৈকো দিব।

যিবিলাকে মাংসৰ অভিলাষত, বিলাসী জীৱন, আত্ম সন্তোষ আৰু প্ৰণয়লীলাবোৰত তেওঁবিলাকৰ প্ৰেমক বিনিয়োগ কৰি আছে। সেই প্ৰেমক ঈশ্বৰলৈ বিনিয়োগ কৰক আৰু তাৰ ফলাফল চাওক, ই এক মোৰ প্ৰত্যাহবান। এই পৃথিৱীত যীচুৰ দৰে কোনেও আপোনাৰ প্ৰকৃত প্ৰেমিক বা বন্ধু হ’ব নোৱাৰে।

বহুত মানুহে তেওঁলোকৰ চকুৰ পাপ আৰু ধনৰ লোভৰ বাবে কষ্ট পাই আছে আৰু ইয়াৰ পৰা ওলাই আহিব নোৱাৰে। তেওঁলোকৰ পাপ কৰ্ম পূৰ্ণ হ’বলৈ আধুনিক আৱিষ্কাৰ বস্তুবোৰ যেনে - টেলিভিশ্বন, ইণ্টাৰনেট আৰু মোবাইলে সহায় কৰি আছে। কিছুমান মানুহে তেওঁবিলাকৰ প্ৰতিমাবোৰৰ (হিৰ’) শৈলী আৰু ধনৰ দ্বাৰাই প্ৰলুব্ধ হৈছে। তেওঁবিলাকে অপৰাধবোৰত লিপ্ত হয় আৰু দুৰাৰোগ্য হৈ কাৰাগাৰ আৰু হস্পিতেলত শেষ হৈ যায়।

মোৰ প্ৰিয়, আজি আপুনি আপোনাৰ প্ৰেমক ক’ত বিনিয়োগ কৰি আছে? আপুনি সঠিক ঠাইত বিনিয়োগ কৰিছেনে? আপুনি ইয়াৰ অন্তক দৃষ্টিগোচৰ কৰিছেনে? যদি ঈশ্বৰে আপোনাৰ কাৰ্যবোৰৰ বাবে আপোনাক শাস্তি দি আছে, এই কাৰ্যবোৰৰ পৰা ওলাই আহক আৰু ঈশ্বৰৰ পবিত্ৰ মুখখনলৈ চাওক।

জীৱনৰ অভিলাষৰ যি কলংক, ই বহুত বিপদজনক হয়। ঈশ্বৰ অহংকাৰীবোৰৰ বিপক্ষ হয়, কিন্তু নম্ৰবিলাকক তেওঁ অনুগ্ৰহ দান কৰে (যাকোব ৪ঃ৬)। কিছুমান মানুহ যদিও দৰিদ্ৰ কিন্তু নিজকে ধনীৰ দৰে অহংকাৰ কৰে। যেতিয়া তেওঁলোকক কোনোবাৰ দ্বাৰাই তেওঁলোক কোন হয় তাক যদি দেখুৱাই দিয়ে তেন্তে তেওঁলোক


## Echo of His Call Postal Courses

### 1. BIBLECOR

We offer a Postal Course on Basic Truths of The Bible to new christians and non-christians in English, Hindi & Tamil. You will get a course book entitled **New Life – For You!** with about 70 pages. After the completion of this course, you will get a certificate. **There will be no compulsory fees**. This courses is for candidates in India only.

### 2. THEOLOGICAL CORRESPONDENCE COURSE

Advanced Distance Education called **Theological Correspondence Course** is available for Pastors, Evangelists and Christian Leaders! A fee of Rs. 1000/- is charged. 7 Books with 142 Chapters are supplied. **Certificate in Ministry** will be awarded.

***For more details, write to us.***

**The Chairman, Nehemiah Bible College, Echo of His Call**
10, Mohammed Abdullah 2nd Street, Opp. Cricket Stadium,
Chepauk, Chennai - 600 005, India.
**Ph.: (044) 2852 8282, 2852 9293, 2854 7766, Cell : (+91) 98410 71852, 95661 31858 E-mail : biblecor@yahoo.co.in**

**The details of our Bank Accounts are given below. Please inform us the details of your remittances.**

| Bank | Branch | Name | IFSC Code No. | Account Number |
|---|---|---|---|---|
| 1. STATE BANK OF INDIA | Triplicane, Chennai -5 | S. Sam Selva Raj | SBIN 0000249 | 102329 34679 |
| 2. ICICI BANK | Anna Salai, Chennai -2 | Echo of His Call | ICIC 0006038 | 6038 05022319 |

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) **আৰু**
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)

### ২০২০ চনৰ ১৯ ফেব্ৰুৱাৰীৰ পৰা ২০২০ চনৰ ১৮ মাৰ্চলৈ

## প্ৰশংসাৰ বিষয়সমূহ ঃ

**ফেব্ৰুৱাৰী ১৯** ঃ আমাৰ উৎসৰ্গিত কৰ্মীসকল আৰু একতাৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰোহক।

**ফেব্ৰুৱাৰী ২০** ঃ আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাসমূহত সহায় কৰা সকলোলোকৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰো।

**ফেব্ৰুৱাৰী ২১** ঃ আমাৰ কাৰিকৰী কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰোহক।

**ফেব্ৰুৱাৰী ২২** ঃ আমাৰ কেন্দ্ৰীয় মণ্ডলীত ৫ টা ভাষাত হোৱা ৭ টা উপাসনাত ঈশ্বৰে আশীৰ্বাদ কৰি আছে।

**ফেব্ৰুৱাৰী ২৩** ঃ ঈশ্বৰে আমাৰ কেন্দ্ৰীয় আৰু শাখা মণ্ডলীবিলাকক আশীৰ্বাদ কৰিছে।

**ফেব্ৰুৱাৰী ২৪** ঃ আমাৰ চেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলৰ অধ্যক্ষ, শিক্ষক আৰু কৰ্মীসকলৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰো।

**ফেব্ৰুৱাৰী ২৫** ঃ আমাৰ ছপাশালত ১৬ টা ভাষাত শুভবাৰ্তাৰ পত্ৰিকা ছপা কৰি মিশ্বন ক্ষেত্ৰলৈ পঠোৱাত ঈশ্বৰে আশীৰ্বাদ কৰিলে।

**ফেব্ৰুৱাৰী ২৬** ঃ আমাৰ চিকিৎসালয়ৰ পৰিচৰ্যাত আমাৰ ঈশ্বৰে আচৰিত কৰ্মবোৰ কৰি আছে।

**ফেব্ৰুৱাৰী ২৭** ঃ আমাৰ প্ৰাৰ্থনাৰ অংশীদাৰসকলক, বিশ্বাস অংশীদাৰসকল, জীৱন অংশীদাৰসকল আৰু তেওঁৰ আহবানৰ প্ৰতিধ্বনি পৰিচৰ্যাসমূহ, মহান আজ্ঞাৰ অংশীদাৰসকলৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰোহক।

**ফেব্ৰুৱাৰী ২৮** ঃ যোৱা বছৰ শুভবাৰ্তা নুশুনা ঠাইবোৰত প্ৰৱেশ কৰিবলৈ ঈশ্বৰে আমাক সহায় কৰিলে।

**মাৰ্চ ১** ঃ যোৱা মাহত আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ কাৰ্যকলাপত ঈশ্বৰে আশীৰ্বাদ কৰিলে।

**মাৰ্চ ২** ঃ ঈশ্বৰে আমাৰ বাহন আৰু চালকসকলক ৰক্ষা কৰি থকাৰ বাবে ঈশ্বৰক প্ৰশংসা কৰোহক।

**মাৰ্চ ৩** ঃ আমাৰ জেষ্ঠ পালক এচ. চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালৰ্গক ঈশ্বৰে সকলো মন্দ শক্তিৰ পৰা ৰক্ষা কৰি আছে।

## প্ৰাৰ্থনাৰ বিষয়সমূহ !

**মাৰ্চ ৪** ঃ এই মাহত তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ সকলো আৰ্থিক সহায়বোৰ পাবলৈ ঈশ্বৰলৈ প্ৰাৰ্থনা কৰক।

**মাৰ্চ ৫** ঃ বিব্লিকৰ বেছিক বাইবেল যোগাযোগ পাঠ্যক্ৰম আৰু থিয়'ল'জিকেল যোগাযোগ পাঠক্ৰমৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰাৰ্থনা কৰোহক।

**মাৰ্চ ৬** ঃ ড্ৰাগছ্ সেৱনকাৰীসকলে তেওঁলোকৰ এনে অৱস্থাৰ পৰা ওলাই আহিবৰ বাবে।

**মাৰ্চ ৭** ঃ আমাৰদেশৰ যুৱক-যুৱতীসকলে ঈশ্বৰৰ সৈতে লাগি থাকিবৰ বাবে।

**মাৰ্চ ৮** ঃ মিশ্বন ফিল্ডত থকা কৰ্মীসকলৰ বাবে প্ৰাৰ্থনা কৰিবলৈ ঈশ্বৰে আমাৰ মণ্ডলীৰ বিশ্বাসীসকলক এটা প্ৰাৰ্থনাৰ মন দিবলৈ।

**মাৰ্চ ৯** ঃ আমাৰ আফ্ৰিকাত থকা সহকাৰী সম্পাদক ভনী মেৰিটজী নেলচন, তেওঁৰ পৰিয়ালবৰ্গ আৰু তেওঁৰ সহকৰ্মীসকলৰ বাবে প্ৰাৰ্থনা কৰোহক।

**মাৰ্চ ১০** ঃ এই পৃথিৱীৰ প্ৰত্যেক ঠাইত ঈশ্বৰে শান্তি দিবলৈ প্ৰাৰ্থনা কৰক।

**মাৰ্চ ১১** ঃ আমাৰ নহিমিয়া বাইবেল কলেজ ২০২০-২০২১ৰ শিক্ষাবৰ্ষৰ বাবে ঈশ্বৰে উপযুক্ত ছাত্ৰ-ছাত্ৰীক দিবলৈ প্ৰাৰ্থনা কৰক।

**মাৰ্চ ১২** ঃ সকলো দেশত জাগৰণৰ বাবে প্ৰাৰ্থনা কৰিবলৈ ঈশ্বৰে আৰু অধিক প্ৰাৰ্থনাৰ যুঁজাৰুসকলক আনিব লাগে।

**মাৰ্চ ১৩** ঃ আমাৰ শুভবাৰ্তাৰ ছপাশালৰ বাবে জাপি থ'ব পৰা মেচিন আৰু পিনিং মেচিনৰ বাবে উপযুক্ত আৰ্থিক সহায় পাবৰ বাবে ঈশ্বৰে গ্ৰাহ্য কৰিবলৈ।

**মাৰ্চ ১৪** ঃ আমাৰ ৰাজনৈতিক নেতাসকলক ঈশ্বৰে পৰিত্ৰাণৰ অভিজ্ঞতা দিবলৈ।

**মাৰ্চ ১৫** ঃ আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাসমূহক বিস্তাৰ কৰিবলৈ আৰু উন্নতি কৰিবলৈ ঈশ্বৰলৈ প্ৰাৰ্থনা কৰক।

**মাৰ্চ ১৬** ঃ পৃথিৱীত থকা যিমান সন্ত্ৰাসবাদী আৰু অবিশ্বাসীসকলৰ মাজত মন পালটনৰ বাবে প্ৰাৰ্থনা কৰক।

**মাৰ্চ ১৭** ঃ আমাৰ কাৰ্যালয় আৰু স্কুলত আমাৰ প্ৰভুৱে অধিক কৰ্মীসকলক যোগাবলৈ।

**মাৰ্চ ১৮** ঃ পৃথিৱীৰ সকলো মন্দ শক্তিৰ পৰা ঈশ্বৰে আমাৰ জেষ্ঠ পালক এচ. চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালক অনুগ্ৰহ কৰি একেবাৰে নিৰাপত্তা দিয়ক।

হতমান হয়। ঈশ্বৰে নম্ৰলোকক অনুগ্ৰহ দান কৰে (যাকোব ৪ঃ৬)। গতিকে, "তোমালোকে জগতক বা জগতত থকা বিষয়বোৰক প্ৰেম নকৰিবা। কোনোৰে যদি জগতক প্ৰেম কৰে তেন্তে পিতৃৰ প্ৰেম তেওঁৰ অন্তৰত নাই" (১ যোহন ২ঃ১৫)।

## ২। যীচু খ্ৰীষ্টৰ মাত শুনক

যীচু খ্ৰীষ্টই মানুহক মানুহৰ যোগেদি আৰু মিডিয়াৰ যোগেদি আহবান কৰে। তেওঁ আপোনাকো আহবান কৰে। তেওঁ আপোনাক এক নতুন জীৱন দিব বিচাৰেঙ্গ "হে পৰিশ্ৰান্ত আৰু ভাৰাক্ৰান্ত লোকসকল, মোৰ ওচৰলৈ আহা, মই তোমালোকক জিৰণি দিম" (মথি ১১ঃ২৮)।

এই পৃথিৱীত বহুত মানুহে নিজকে ঈশ্বৰৰ প্ৰতিনিধি বা ঈশ্বৰৰ অৱতাৰ বুলি দাবী কৰা মানুহৰ দ্বাৰাই প্ৰবঞ্চিত হয়। কিন্তু যীচুক অনুসৰণ কৰা লোকসকল কেতিয়াও দৰিদ্ৰ হৈ নাযায়। ইস্ৰায়েলৰ ৰজা দায়ুদে কৈছিল, "মই ল'ৰা আছিলো এতিয়া বুঢ়া হ'লো; তথাপি ধাৰ্মিকক পৰিত্যক্ত হোৱা, নাইবা তাৰ সন্তানক আহাৰ মগা মই দেখা নাই" (গীতমালা ৭ঃ২৫)।

"হে ঈশ্বৰৰ সন্তানবিলাক, যিহোৱাৰ উদ্দেশ্যে কীৰ্তন কৰা, যিহোৱাৰ উদ্দেশ্যে গৌৰৱ আৰু পৰাক্ৰম কীৰ্তন কৰা; পবিত্ৰ বস্ত্ৰৰ শোভাৰে যিহোৱাৰ আগত প্ৰণিপাত কৰা। যিহোৱাৰ স্বৰ জলসমূহৰ ওপৰত আছে; গৌৰৱান্বিত ঈশ্বৰে বজ্ৰনাদ কৰিছে, এনে কি, যিহোৱাই মহাজলসমূহৰ ওপৰত বজ্ৰনাদ কৰিছে। যিহোৱাৰ স্বৰ শক্তিযুক্ত, যিহোৱাৰ স্বৰ গৌৰৱেৰে পৰিপূৰ্ণ। যিহোৱাৰ স্বৰে এৰচ গছবোৰ ডোখৰ ডোখৰকৈ ভাঙি পেলাইছে। তেওঁ সেইবোৰক দামুৰি পোৱালিৰ দৰে ভেও দিয়াইছে; তেওঁ লিবানোন আৰু চিৰিয়োনক ডেকা মেঠনৰ নিচিনাকৈ জপিওৱাইছে। যিহোৱাৰ স্বৰে অৰণ্যক কঁপাইছে; যিহোৱাই কাদেচৰ অৰণ্যক কঁপাইছে। যিহোৱাৰ স্বৰে হৰিণীৰ পোৱালি জগোৱাইছে আৰু জাৰণিক লঠা কৰিছে; আৰু মন্দিৰত সকলোৱে গৌৰৱ গৌৰৱ বুলি কৈছে। যিহোৱাই জল প্লাৱনৰ কালত ৰজা হৈ বহিল, এনে কি, যিহোৱা অনন্ত কাললৈকে ৰজা হৈ বহি থাকে। যিহোৱাই নিজৰ প্ৰজাবিলাকক শক্তি দান কৰিব; যিহোৱাই নিজৰ প্ৰজাবিলাকক শান্তি দি আশীৰ্বাদ কৰিব" (গীতমালা ২৯ঃ১-১১)।

প্ৰভু যীচু খ্ৰীষ্টই আপোনাক নিৰন্তৰে আহবান কৰি আছে। এই নৱবৰ্ষত তেওঁ আপোনাক এক নতুন জীৱন দিব বিচাৰে আৰু আপুনি ধুনীয়া হৈ থকাটো তেওঁ বিচাৰে। এই বাৰ্তাৰ যোগেদি প্ৰভু যীচু খ্ৰীষ্টই আপোনাৰ হৃদয় দুৱাৰত টুকুৰিয়াই আছে। অনুগ্ৰহ কৰি নুশুনাকৈ নাযাব।

আপুনি হয়তু দীৰ্ঘদিন ধৰি খ্ৰীষ্টিয়ান হৈ আছেঙ্গ আপুনি হয়তু ঈশ্বৰৰ পৰিচৰ্যা কৰি আছেঙ্গঙ্গ আপুনি হয়তু বৃহৎ সংখ্যাৰ দান দি আছেঙ্গঙ্গঙ্গ তথাপি ঈশ্বৰে আপোনাক এই বাস্তৱ বিষয়টো ক'ব বিচাৰে যে আপুনি আপোনাৰ **প্ৰথম প্ৰেমক** হেৰুৱাইছে (প্ৰকাশিত বাক্য ২ঃ৪)।

সময়ৰ গতিত তেওঁ বা তাই প্ৰাৰ্থনাৰ সময়ত কমাই দিয়ে, উত্তেজিত প্ৰাৰ্থনাৰ অভাৱ হয় আৰু জীৱনত পৱিত্ৰতাৰ অভাৱ হয়। ধনৰ ক্ষেত্ৰত আৰু ব্যক্তিগত জীৱনত কম বিশ্বাসী হয় কিন্তু তৎক্ষণাত সকলো ঠিক হৈ যায়। যীচু খ্ৰীষ্টই আপোনাৰ জীৱনত হস্তক্ষেপ কৰি মাজ বায়ুত আহিব পাৰে। "কিয়নো ৰাতি যেনেকৈ চোৰ আহে, তেনেকৈ প্ৰভুৰ দিন আহিব, ইয়াক তোমালোকে নিশ্চয়কৈ জানা" (১ থিচলনীকীয়া ৫ঃ২)। পুনৰ আগমণৰ পাছত পাপ স্বীকাৰৰ উপায় নাথাকিব। প্ৰভু যীচু বগা সিংহাসনত বহি পৃথিৱীক বিচাৰ কৰিব। যিবিলাকে তেওঁলৈ আহিব তেওঁবিলাক ধন্য হ'বঙ্গ

## ঘটিবলগীয়া ঘটনাবোৰৰ বিষয়ে মনোযোগেৰে অধ্যয়ন কৰক

"পাছে এখন ডাঙৰ বগা সিংহাসন আৰু তাৰ ওপৰত বহি থকা জনাক দেখিলো; তেওঁৰ সন্মুখৰ পৰা পৃথিৱী আৰু আকাশমণ্ডল পলাই গ'ল; সেইবোৰৰ নিমিত্তে ঠাই আৰু পোৱা নগ'ল। সেই সিংহাসনৰ আগত সৰু বৰ সকলো মৃতবিলাকক থিয় হৈ থকা দেখিলো; পাছে কেইখনমান পুস্তক মেলা হ'ল; আৰু সেই পুস্তকবোৰত লিখামতে, মৃতবিলাকৰ নিজ নিজ কৰ্ম অনুসাৰে সোধ বিচাৰ কৰা হ'ল। তেতিয়া সাগৰে নিজত থকা মৃতবিলাকক শোধাই দিলে, মৃত্যু আৰু পৰলোকেও নিজত থকা মৃতবিলাকক শোধাই দিলে; তাতে সকলোৰে নিজ নিজ কৰ্ম অনুসাৰে সোধ বিচাৰ কৰা হ'ল। পাছে মৃত্যু আৰু পৰলোকক সেই অগ্নিৰ সৰোবৰত পেলোৱা হ'ল। সেয়েই অৰ্থাৎ অগ্নিৰ সৰোবৰেই দ্বিতীয় মৃত্যু আৰু জীৱন পুস্তকত যি কোনোৰ নাম পোৱা নগ'ল, তাক সেই অগ্নিৰ সৰোবৰত পেলোৱা হ'ল" (প্ৰকাশিত বাক্য ২০ঃ১১-১৫)।

## আমি ৰক্ষা পোৱা নাইনে?

"হে ইস্ৰায়েল, তুমি ধন্য, যিহোৱাৰ দ্বাৰাই নিস্তাৰ পোৱা জাতি যি তুমি, তোমাৰ সদৃশ কোন আছে? তেওঁ তোমাৰ সহায় কৰোঁতা ঢাল, তোমাৰ মহাত্মা দিওঁতা তৰোৱাল, তোমাৰ শত্ৰুবোৰ তোমাৰ বশীভূত হ'ব, তুমি সিহঁতৰ ওখ ঠাইবোৰত ভৰি দিবা" (দ্বিতীয় বিৱৰণ ৩৩ঃ২৯)।

## ৩। তেওঁত লাগি থাকক, তেওঁ আপোনাৰ জীৱন আৰু দীৰ্ঘায়ু

মোৰ প্ৰিয়জন, মোৰ জীৱন প্ৰভু যীচু খ্ৰীষ্টৰ লগত লাগি থাকি মধুৰ আৰু ফলবান হৈছে। মই এই কথাষাৰ ইয়াৰ সোৱাদ লোৱাৰ পাছতহে কৈছো। যদি আপুনি এই সুযোগক হেৰুৱাই দিয়ে, আপুনি বহু ক্ষেত্ৰত ক্ষতিগ্ৰস্ত হ'ব আৰু আপুনি ক্ষতিগ্ৰস্ত লোকসকলৰ শাৰীৰ মাজত থিয় হ'ব লাগিব। আপুনি যীচু খ্ৰীষ্টক গ্ৰহণ কৰি জয়যুক্ত জীৱন চলাই নথকাৰ বাবে খেদ কৰিবলগীয়া হ'ব। গতিকে যীচু খ্ৰীষ্টৰ কাষ চপাৰ এয়েই উচিত সময়ঙ্গ তেতিয়াহে আপুনি আশীৰ্বাদপ্ৰাপ্ত হ'বঙ্গঙ্গ আপোনাৰ সম্পূৰ্ণ জীৱন যীচু খ্ৰীষ্টলৈ সমৰ্পণ কৰক। তেওঁ আপোনাক আৰ্শীযুক্ত জীৱন আৰু দীৰ্ঘায়ু দিবঙ্গ এই গীতটি আপোনাৰ জীৱনৰ অভিজ্ঞতা হওক।

****

# ইজনে সিজনক শান্ত্বনা দিয়ক !

যেতিয়া আমাৰ সমাজত অসংখ্য লোকসকলে শান্ত্বনা পাবলগীয়া হৈ আছে, আমি দেখো যে মানুহেই তেওঁলোকক শান্ত্বনা দিয়াৰ পৰিৱৰ্তে নিন্দাহে কৰে। যেতিয়া এজন দৰিদ্ৰ লোক আৰ্থিক সহায়ৰ বাবে ধনীলোকৰ কাষ চাপে সেই লোকজনে তেওঁক গালি-গালাজ পাৰি পঠিয়াই দিয়ে। যেতিয়া এজন অশিক্ষিত মানুহে জীৱিকাৰ বাবে উপায় বিচাৰি ফুৰে তেওঁক শোষণ কৰা হয় আৰু প্ৰতাৰণা কৰা হয়। ৰোগীক ৰোগশয্যাত শান্ত্বনা দিয়াৰ পৰিৱৰ্তে তেওঁক দুখ দিয়া কথাবোৰহে শুনোৱা হয় যাৰ বাবে তেওঁৰ স্বাস্থ্যৰ অৱনতি হয়।

তেনে লোকবিলাকৰ বাবে ঈশ্বৰে দেখুৱাই যে "গীৰ্জাঘৰত গোট খুৱাটো" পৰস্পৰক শান্ত্বনা দিয়াৰ এটা পথ হয়। বাইবেলত ঈশ্বৰে সাধু পৌলৰ যোগেদি পৰস্পৰক শান্ত্বনা দিবলৈ আমাক শিকাই (১ থিচলনীকীয়া ৪ঃ১৮)। পৌলে আমাক কেৱল শান্ত্বনা দিয়ে এনে নহয় কিন্তু এই ক্ষেত্ৰত কাৰ্যত উপনীত হ'বলৈ স্পষ্টকৈ কৈ দিয়ে। তেওঁ এইদৰে লিখে ঃ "এতেকে আমি এইবোৰ কথাৰ দ্বাৰাই, তোমালোকে পৰস্পৰে শান্ত্বনা দিবা।" এইবাৰ্তাৰ যোগেদি ঈশ্বৰে আমাক কওঁক যে আমি কিদৰে শান্ত্বনা দিব লাগিব আৰু শান্ত্বনা পাব লাগিব।

এই শাস্ত্ৰ পাঠত ঈশ্বৰে তিনিধৰণে গুৰুত্বপূৰ্ণ বিষয় প্ৰকাশ কৰিছে (১ থিচলনীকীয়া ৪ঃ১৬-১৮)। আন আন বাক্যবোৰতকৈয়ো, "এই বাক্যবোৰ"ত গভীৰ অৰ্থ আছে আৰু ই বহুত প্ৰয়োজনীয়।

## ১। ঈশ্বৰে নিজেই (যীচু) নামি আহিব

প্ৰথম শতিকাত (খৃষ্টাব্দ) খ্ৰীষ্টিয়ানসকলক হেৰোদৰ দৰে ৰজাবিলাকৰ দ্বাৰাই তাড়না কৰা হৈছিল। বহুতেই তেতিয়া শ্বহীদো হ'ল। খ্ৰীষ্টিয়ানসকলে তেতিয়া সমৃদ্ধিশালীত বিশ্বাস কৰা নাছিল। পিতৰ, যোহন আৰু পৌলৰ দৰে পাঁচনিবিলাকে সমৃদ্ধিশালীৰ বিষয়ে শিক্ষা দিয়া নাছিল। কিন্তু তেওঁলোকৰ কেৱল তেওঁলোকৰ বাবে এক "গুপ্ত বাক্য" আছিল আৰু সেয়ে আছিল "মাৰানাথা"। যাৰ অৰ্থ হৈছে "যীচু আহি আছে"। প্ৰথম শতিকাৰ খ্ৰীষ্টিয়ানবিলাকত এই যি বাক্যবোৰ আৰু বিশ্বাস পোৱা গৈছিল তেওঁলোকক পাপ বিহীন পৱিত্ৰ জীৱন-যাপন কৰিবলৈ আৰু প্ৰভু যীচু খ্ৰীষ্টক লগ পাবলৈ জাগৃত আৰু অনুপ্ৰাণিত কৰিছিল। এই পৃথিৱীৰ প্ৰলোভনীয় আশীৰ্বাদবোৰতকৈ তেওঁলোকলৈ স্বৰ্গত থকা মহিমান্বিত উত্তৰাধিকাৰ অধিক আকৰ্ষণীয় আছিল। তেওঁলোকে একেৰাহে গীৰ্জাত ঈশ্বৰক প্ৰশংসা কৰি আছিল। যদিও তেওঁবিলাকে তাড়না ভুগি আছিল এইদৰে ঘোষণা কৰি ক'ব পাৰিছিল, "কিয়নো মোৰ পক্ষে জীয়াই থকাই হৈছে খ্ৰীষ্ট, মৰাই হৈছে লাভ" (ফিলিপীয়া ১ঃ২১)। যেতিয়া তেওঁলোকে তাড়না পাইছিল তেতিয়া তেওঁলোকে সাহেৰে কৈছিল। "কিন্তু এটা কথা পাছত থকা সকলোকে পাহৰি আগত থকাবোৰলৈ যত্ন কৰি খ্ৰীষ্ট যীচুত ঈশ্বৰে কৰা স্বৰ্গীয় আমন্ত্ৰণৰ বটাৰ অৰ্থে ঘাইলৈ লৰি গৈ আছো" (ফিলিপীয়া ৩ঃ১৩-১৪)।

ৰোগ এটাক সুস্থ কৰিব পৰা যাব কিন্তু সিয়েই তাৰ শেষ নহয়। যিদৰে বৰষুণৰ পাছত পুনৰ বাৰে বাৰে মেঘ আহে, ঠিক একেদৰে এজনৰ জীৱনত এটাৰ পাছত আন এটা ৰোগ আহে। এজন মানুহে যেতিয়া তেওৰ ঋণ পৰিশোধ কৰে তেতিয়া তেওঁ সকাহ পায়। কিন্তু এই সকাহ স্থায়ী নহয়। ইয়াকে জানি প্ৰথম শতিকাৰ অভিষেকপ্ৰাপ্ত খ্ৰীষ্টিয়ানসকলে যীচু খ্ৰীষ্টৰ শক্তিক জানিছিল আৰু ইয়াৰ বাবে তেওঁলোকে পৰস্পৰক শান্ত্বনা দিয়া নাছিল। কিন্তু তেওঁবিলাকে আনক শান্ত্বনা দিয়াৰ সময়ত "মাৰানাথা" বুলি কৈছিল।

আমি আজিকালি আনক কিদৰে শান্ত্বনা দিওঁ? আজি আমি নিজক কেনেকৈ শান্ত্বনা দিওঁ? আমি টকা লোৱাৰ পাছত শান্ত্বনা পাওঁনে? আমি কিছুমান ৰোগৰ পৰা মুক্ত হ'লে শান্ত্বনা পাওঁনে? আমি বেছি দৰমহা পোৱাৰ শান্ত্বনা পাওঁনে? এই সকলোবোৰ আমাৰ আৱশ্যক আছে। এই সকলোবোৰ শান্ত্বনা পোৱাৰ উপৰিও আমাৰ এক স্থায়ী শান্ত্বনা আছে। যীচু খ্ৰীষ্টৰ দ্বিতীয় আগমণেই হৈছে আমাৰ স্থায়ী শান্ত্বনা। স্থায়ীভাৱে শান্ত্বনা পাবলৈ আমি নিজকে বৃদ্ধি কৰোহক। এই একে বাক্যেৰে আনবিলাকক শান্ত্বনা দিবলৈ ঈশ্বৰে আমাক অনুগ্ৰহ দান কৰক।

## ২। আৰু খ্ৰীষ্টৰ আশ্ৰয়ত মৰা লোকবিাকেই প্ৰথমে উঠিব
(১ থিচলনীকীয়া ৪ঃ১৬)

মৃত্যু প্ৰত্যেকৰ জীৱনৰ বাবে এক বিযাদজনক অভিজ্ঞতা। আমি কেতিয়াবা এনে অৱস্থাত পৰি যাওঁ যে কোনো এটা পৰিয়ালত যদি কোনোবা মৃত্যু মুখত পৰে তেতিয়া সেই পৰিয়ালক আমি কিদৰে শান্ত্বনা দিম বুলি খেলিমেলিৰ সৃষ্টি হয়। খ্ৰীষ্টিয়ান হিচাপে আমি এনে লোকবিলাকৰ কাষ চাপি আমি কওঁ, "মৃত ব্যক্তিৰ বাবে যি খালী হৈ গ'ল ঈশ্বৰে তাক আকৌ পূৰ্ণ কৰক"। আন কিছুমানে মনোবিজ্ঞান বা জ্ঞানেৰে তেওঁবিলাকক শান্ত্বনা দিবলৈ চেষ্টা কৰে। যদি আমি তেওঁবিলাকক কিছু পৰিমাণে শান্ত্বনা দিব পাৰো, স্থায়ী শান্ত্বনা কেৱল সাধু পৌলে লিখা এই বাক্যবোৰতহে পোৱা যায়। হিতোপদেশত আমি পঢ়িবলৈ পাওঁ যে "ধাৰ্মিকে নিজ মৰণৰ সময়ত আশ্ৰয় পায়" ১৪ঃ৩২। ধাৰ্মিকজন তেওঁৰ মৃত্যুৰ পাছত অনন্ত জীৱন পাব বুলি তেওঁৰ দৃঢ় বিশ্বাস আছে। আৰু তেওঁ জানে যে

যেতিয়া যীচু পুনৰ এই জগতলৈ আহিব তেওঁ প্ৰথম মৃতবিলাকৰ মাজৰ পৰা উঠিব। মৰিয়মে যেতিয়া প্ৰথমে পুনৰুত্থিত যীচুক দেখা পাইছিল তেওঁ তেতিয়া মহাআনন্দত পৰিপূৰ্ণ হৈছিল। ঠিক একেদৰে ৰজাৰো ৰজা প্ৰভুৰো প্ৰভুক মৃত সাধুবিলাকে আনকি, এতিয়া জীৱিত হৈ থকা সাধুবিলাকতকৈও আগতে তেওঁবিলাকে দেখিব। ইয়াকে জানি আনন্দ লগা বিষয় নহয়নে? সেই একে আনন্দ মনত লৈ সাধু পৌলে এইদৰে লিখে, "হে মৃত্যু, তোমাৰ জয় ক'ত? হে মৃত্যু, তোমাৰ হুল ক'ত?" (১ কৰিন্থীয়া ১৫ঃ৫৫)। এই বাক্যবোৰৰ দ্বাৰাই ৰোগীজনক আৰু মৃতলোকৰ পৰিয়ালক শান্ত্বনা দিয়া হওক।

একে সময়তে ঈশ্বৰে আমাক এই ধৰণে মণ্ডলীত পৰস্পৰক শান্ত্বনা দিবলৈ আহ্বান কৰিছে। যাতে আমি প্ৰভু যীচু খ্ৰীষ্টৰ দ্বিতীয় আগমণত প্ৰথমে উঠিবলৈ সুযোগ পাম।

## আমি সদায় প্ৰভুৰ সৈতে থাকিম

ইয়াৰ পৰা গৈ, খ্ৰীষ্টৰ লগ থাকিবলৈ মোৰ ইচ্ছা" এইটোৱেই আটাই উত্তম ইচ্ছা আৰু প্ৰভুৱে এই ইচ্ছাক তেওঁত ভাৰসা কৰা লোকবিলাকক দিয়ে। সাধু পৌলে লিখিছে যে "এই জগতৰ পৰা গৈ খ্ৰীষ্টৰ লগত থাকিবলৈ তেওঁৰ ইচ্ছা আছে" (ফিলিপীয়া ১ঃ২৩)।

যিবিলাকে অকলশৰীয়া জীৱন লৈ জীয়াই থাকে, তেওঁবিলাক কেতিয়াও শান্ত্বনা নাপায়। মানুহে অকলশৰীয়া জীৱনক সহ্য কৰিব নোৱাৰে। এনে পৰিস্থিতিত এইটো সন্তোষজনক বাস্তৱ যে খ্ৰীষ্ট পুনৰ আহিব আৰু আমি তেওঁৰ লগত সদায় থাকিম যিয়ে আমাক প্ৰকৃত শান্ত্বনা দিব। আমি ইয়াকো জানিব লাগে যে, কোনে প্ৰভুৰ লগত থাকি আনন্দ পাব। যদিও আমি নিশ্চিত যে স্বৰ্গত এনে জীৱন আমাৰ আছে, তথাপি চলাই লোৱাৰ প্ৰয়োজন আছে। এনে জীৱনে প্ৰভুৰ দ্বিতীয় আগমনৰ পাছত তেওঁৰ লগত সদায় থাকিবলৈ আমাক যুগুত কৰিব আৰু শান্ত্বনা দিব। "... ঈশ্বৰৰ লগত হনোকৰ চলাচল হ'লত..." (আদিপুস্তক ৫ঃ২২)। "কিন্তু মোৰ পক্ষে হ'লে ঈশ্বৰৰ ওচৰ চপাই মংগল" (গীতমালা ৭৩ঃ২৮)। গীতমালাৰ ৰচকজনে কৈছে যে তেওঁ যেতিয়া জানিলে যে প্ৰভু তেওঁৰ লগত সদায় আছে তেতিয়া তেওঁ সন্তোষ পালে। যেতিয়া খ্ৰীষ্ট মৰিয়মৰ গৰ্ভত আছিল তাইৰ "আত্মাই ত্ৰাণকৰ্তাত উল্লাস কৰিলে" (লূক ১ঃ৪৭)। খ্ৰীষ্টিয়ানসকলে জীৱনত সমৃদ্ধিশালী হ'বলৈ হ'লে খ্ৰীষ্টৰ সহভাগিতাৰ অত্যন্তপ্ৰয়োজন আছে। প্ৰভু ঈশ্বৰ আমাৰ লগত থকা বুলি জ্ঞান থকা লোকসকলে পৰম সন্তোষ পায়।

যীচুৱে কয়, "চোৱা, মই দুৱাৰত থিয় হৈ টুকৰিয়াই থাকোঁ; কোনোৱে যদি মোত শুনি দুৱাৰ মেলে, তেন্তে মই তেওঁৰ তাত সোমাই তেওঁৰ সৈতে ভোজন কৰিম, আৰু তেৱোঁ মোৰ সৈতে ভোজন কৰিব" (প্ৰকাশিত বাক্য ৩ঃ২০)। এই মূল্যৱান নিমন্ত্ৰণক গ্ৰহণ কৰা লোকসকলে সন্তোষ পাব। ঠিক যেনেকৈ চুলক্ষ্মীভতে কৈছিল, "তেওঁ মোক দ্ৰাক্ষাৰস পাণ কৰা ঘৰলৈ লৈ গ'ল আৰু মোৰ ওপৰত প্ৰেমেই তেওঁৰ নিচান হ'ল" (পৰমগীত ২ঃ৪), আহক আমি প্ৰেমৰ পতাকাৰ অধীনত থাকিম। তেতিয়া আমি নিশ্চয়ে সন্তোষ পাম। প্ৰভুৰ অনুগ্ৰহ আমাৰ সৈতে থাকক।

****

## তেওঁ আহবানৰ প্ৰতিধ্বনিৰ বিজ্ঞাপনৰ মূল্য

| আকাৰ | এটা ভাষাত | ১৬ টা ভাষাত |
|---|---|---|
| চাৰিভাগৰ এভাগ | ২,০০০/- | ৩০,০০০/- |
| আধা পৃষ্ঠা | ৩,৫০০/- | ৫০,০০০/- |
| সম্পূৰ্ণ পৃষ্ঠা | ৫,০০০/- | ৭০,০০০/- |

## বাতৰি

### বাল্য বিবাহৰ বিৰুদ্ধে যুঁজ

যোৱা তিনি দহকত (২০১৬, ইউ.আই.চি.ই.এফ) এই হাৰ প্ৰায় ৫০% পৰা ২৭% লৈকে হ্ৰাস হোৱাৰ স্বত্বেও ভাৰতত বাল্য বিবাহ মহামাৰী অনুপাতত পাইছেগৈ। প্ৰতিদিনে ১৫,৬০০ ছোৱালী (বা গ্লোবেল হাৰ প্ৰতি বছৰ প্ৰায় ১৫ মিলিয়ন ছোৱালীৰ তুলনাত প্ৰতি বছৰ ৬ মিলিয়ন) বিলাকক ভাৰতত বাল্য বিবাহলৈ বাধ্য কৰোৱা হয়। ছোৱালীবিলাকক স্কুল ত্যাগ কৰিবলৈ বাধ্য কৰোৱা হয় আৰু তেওঁলোকক নিজৰ স্বামীৰ ঘৰতেই দাসী হৈ যায়। যদি তেওঁলোক গৰ্ভৱতী হয়, তেওঁলোক মৃত্যু হোৱাৰ সম্ভাৱনা থাকে কিয়নো তেওঁলোকৰ দেহ সন্তান জন্ম দিবৰ বাবে প্ৰস্তুত নহয়।

যিজন মানুহে বাল্য বিবাহৰ বিৰুদ্ধে ব্যাপক প্ৰচাৰ কাৰ্য চলাই আছে আৰু ৪০ বছৰ ধৰি ছোৱালীবিলাকৰ বাবে সম অধিকাৰৰ বাবে যুঁজ কৰি আছে, তেওঁ হৈছে ডাক্তৰ অশোক দ্যালচান্দ, ভেল্লুৰ খ্ৰীষ্টিয়ান মেডিকেল কলেজৰ এজন প্ৰাক্তন ছাত্ৰ ডাক্তৰ অশোকক ২০১৯ চনৰ বাল্য অধিকাৰৰ মহাবীৰ আৰু ৱৰ্ল্ড চিল্ড্ৰেন প্ৰাইজ (ডব্লিউ.চি.পি.), "চিল্ড্ৰেন নবেল প্ৰাইজ" জনা যায়, ইয়াক পোৱাৰ বাবে তেওঁ গ্ৰহণযোগদ্য বুলি হাজাৰ হাজাৰ শিশুবিলাকে তেওঁক মনোনীত কৰিছে। অশোক আৰু তেওঁৰ দল-সংগঠনবিলাকে (আই.এইচ.এম.পি) ছোৱালীৰ ক্লাব প্ৰতিষ্ঠা কৰিছে, যিয়ে ১৯৭৫ চনৰ পৰা ৫০০ খন গাঁৱত প্ৰায় ৫০,০০০ ছোৱালীবিলাকক তেওঁবিলাকৰ অধিকাৰৰ বিষয়ে শিক্ষা দি সক্ষম কৰিলে আৰু জীৱন কৌশল শিক্ষাও গ্ৰহণ কৰিলে। শিক্ষা আৰু আত্ম বিশ্বাস আৰু এজনে আনজনৰ পৰা পোৱা সহায়ৰ সৈতে ছোৱালীবিলাকে নিজ পিতৃ-মাতৃক বাল্য বিবাহৰ বাবে হেঁচা নিদিবলৈ পতিয়ন নিয়াব পাৰিব, কিন্তু পৰিৱৰ্তে তেওঁবিলাকৰ স্কুল শেষ কৰাব পাৰি।

ফ'ৰাণাৰ (আগষ্ট ২০১৯)



# PIT TO PALACE
# গৰাহৰ পৰা ৰাজগৃহলৈ

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫

**"কিয়নো তোমালোক পৱিত্ৰ লোকবিলাকৰ যি সেৱা-শুশ্ৰুষা কৰিলা আৰু কৰিবা, তাৰেই ঈশ্বৰৰ নামলৈ তোমালোকে দেখুওৱা প্ৰেম আৰু তোমালোকৰ পৰিশ্ৰম যে ঈশ্বৰে পাহৰিব তেওঁ এনে অধাৰ্মিক নহয়" (ইব্ৰী ৬ঃ১০)**

১৯৮২ চনত মই অনেক পৰিচৰ্যাৰ যাত্ৰা কৰিবলগীয়া হৈছিল আৰু একে সময়তে মোৰ স্থানীয় পৰিচৰ্যাৰ ওপৰতো মনোযোগ দিবলগীয়া হৈছিল। সেই সময় মোৰ সোঁহাতত ভীষণ বিষ হৈছিল। তাৰ ফলস্বৰূপে আলোচনীৰ বাবে মই কোনো বিষয়বস্তু লিখিব পৰা নাছিলো। মই কলমো ধৰিব পৰা নাছিলো বা গাড়ীও চলাব পৰা নাছিলো। যেতিয়া মই সোঁহাতখন সহায়েৰেহে তুলিব পাৰিছিলো। মোৰ সকলো কাম কৰিবলৈ আনৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছিলঙ্গ মই এইদৰে ভীষণ বিষত কষ্ট ভুগি আছিলো।

মই কেৱল প্ৰাৰ্থনা কৰাই নহয় কিন্তু কিছুমান ব্যায়ামো কৰিলো। প্ৰায় এবছৰ ধৰি এনে অৱস্থাত আছিলো। বিষ বাঢ়ি গৈ থকাৰ বাবে মই ভাবিছিলো যে মই আৰু সকাহ পাব নোৱাৰো।

## ঈশ্বৰে পথ প্ৰস্তুত কৰিলে

এদিনাখন এগৰাকী ঈশ্বৰৰ বৃদ্ধ দাস তেওঁৰ পত্নীৰ সৈতে মোক পৰিদৰ্শন কৰিবলৈ আহিছিল। তেওঁ মোক তেওঁৰ পৰিচৰ্যাত সহায় কৰিবলৈ অনুৰুধ কৰিছিল। মই তেওঁলোকক আমাৰ মণ্ডলী আৰু পৰিচৰ্যাত বিশেষ প্ৰাৰ্থনা সভাবোৰত ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিলো। মই তেওঁৰ ইংৰাজীৰ বাৰ্তা তামিল ভাষালৈ অনুবাদ কৰিবলগীয়া হৈছিল আৰু তেওঁলোকক বিভিন্ন ঠাইলৈ লৈ গৈছিলো, ঈশ্বৰে তেওঁলোকক মহা পৰাক্ৰমেৰে ব্যৱহাৰ কৰিছিল। অনেক মানুহে যীচু খ্ৰীষ্টক তেওঁলোকৰ ব্যক্তিগত ত্ৰাণকৰ্তাৰূপে গ্ৰহণ কৰিলে। মই ইয়াকো লক্ষ্য কৰি আছিলো যে কিমান মানুহে পুৰণি পুৰণি বিষ, ডিঙিৰ বিষৰ পৰা আৰোগ্য পাইছিল। কিছুমানে চয়তানৰ আত্মাৰ কাৰ্যৰ পৰাও উদ্ধাৰ পাইছিল। কিন্তু মই হ'লে মোৰ হাতৰ বিষৰ বিষয়ে কোৱা নাছিলো।

তেওঁলোক দুয়ো অতিকৈ বৃদ্ধ আছিল, গতিকে তেওঁলোকৰ বেগৰ সৈতে মোৰ বেগো কঢ়িয়াব লগীয়া হৈছিল। কিন্তু মোৰ হাতত বিষ থকা স্বত্বেও এই কাম আনন্দেৰে কৰিছিলো। বহুত সময় সেই ঈশ্বৰৰ দাসজনে মোক সুধিছিল, "ভাই, তুমি সকলো বেগ কঢ়িয়াব পাৰিবানে? তুমি ঠিকেই আছাটো?" এবাৰ যেতিয়া আমি কেৰেলা ৰাজ্যৰ মোনাৰ নামে ঠাইত আছিলো, মই আমাৰ গোটেই বেগবোৰ বাছৰ ভিতৰত থ'বলৈ চেষ্টা কৰি থাকোঁতে দুৰ্ভাগ্যক্ৰমে আমাৰ বেগবোৰৰ লগতে আন যাত্ৰীবোৰৰ বেগবোৰো মোৰ ওপৰত পৰি গ'ল আৰু মোক ঠেলা মাৰি পেলাই দিলে। মই এতিয়াও সেই দৃশ্য পাহৰি যাব নোৱাৰো যে কিদৰে বাছৰ যাত্ৰীবোৰে চিঞৰ মাৰি মোক সহায় কৰিবলৈ আহিল। ইফালে মোৰ হাতৰ বিষ দিনে দিনেই বাঢ়ি গৈ আছিল। মই বেগ কঢ়িয়াই কঢ়িয়াই তেওঁলোকৰ বাৰ্তাক অনুবাদ কৰাত লাগি আছিলোঙ্গ

অৱশেষত, দুয়োজনেই ভাৰতত তেওঁলোকৰ পৰিচৰ্যা শেষ কৰি চেন্নাইৰ পৰা উৰাজাহাজত নিজ ঠাইলৈ গুচি গ'ল। তেওঁলোকৰ উৰাজাহাজখন উৰি যোৱাটো চাই থকাৰ সময়ত মই মোৰ হাতৰ বিষ সহ্য কৰিব নোৱাৰাকৈ বাঢ়ি গৈ আছিল। কিন্তু মই বিমান বন্দৰৰ পৰা ঘৰলৈ ঘূৰি অহাৰ লগে লগেই যি হাতৰ বিষ আগতকৈ বেছি ভুগি আছিলো সেই বিষ অকস্মাতে নাইকীয়া হৈ গ'ল। সেই সময়ৰ পৰা মই মোৰ হাতখন মুক্তভাৱে লৰচৰ কৰিব পৰা হ'লো আৰু সকলো কাম কৰিব পৰা হ'লোঙ্গ

এই বিষৰ অভিজ্ঞতা প্ৰায় ৩০ বছৰ অতিক্ৰম কৰিলেঙ্গ তাৰ পাছত আৰু মোৰ জীৱনত এই ধৰণৰ বিষ কেতিয়াও অনুভৱ কৰা নাই। মই এক আচৰিত ধৰণৰ আৰোগ্য লাভ কৰিলো। ইয়াৰ সত্যটো এয়ে যে মই মোৰ শাৰীৰিক যন্ত্ৰণাবোৰক গণ্য নকৰাকৈ তেওঁলোকক সেৱা কৰিছিলো গতিকে তেওঁলোকৰ যি আচৰিত কৰ্মৰ শক্তি আছিল সেই শক্তি মোৰ ওপৰত পৰিছিল আৰু সুস্থতা লাভ কৰিছিলো। তাৰ পাছত মই সেই ঈশ্বৰৰ দাসসকলক মোৰ জীৱনত আৰু কেতিয়াও দেখা নাপালো। মই তেওঁলোকক যোগাযোগো কৰিব নোৱাৰিলো। কেৱল তেওঁলোকৰ নামহে মোৰ মনত আছেঃ ভাই হেডজেচ আৰু শ্বেলী হেডজেচ।

আজি ঈশ্বৰে মোক অনেক সহকাৰী পালক আৰু সহকৰ্মীসকলক যোগাই মোক সহায় কৰিছে। মোক এটি শিশুৰ দৰে যত্ন লৈ আছে। ঈশ্বৰে মোক ভালকৈ নিৰাপত্তা দি আছে। ঈশ্বৰৰ অনেক দাসবিলাকে মোক সহায় কৰিবলৈ সাজু হৈ আছে। মই যেতিয়াই মোৰ সমস্ত পৃথিৱীৰ ঠাইবিলাকলৈ যাত্ৰা কৰো, তেতিয়া ঈশ্বৰে মোক সহায় কৰিবলৈ মোক ভাল ভাল ঐশ্বৰিক লোকসকলক যোগাই দিয়েঙ্গ

প্ৰিয় পঢ়ুৱৈ, পৰিচৰ্যাৰ সময়ত আপুনি যাত্ৰা কৰা পথবোৰ কঠিন হৈ আছেনে? ঈশ্বৰে কিয় অনাহাৰে, ৰোগত আৰু ঋণত আপোনাক এৰি দিছে বুলি ভাবি ভাবি তিক্ততা অনুভৱ কৰিছেনে? আন আন ঈশ্বৰৰ দাসে বিলাসীৰ জীৱনত চলি থকাৰ সময়ত ঈশ্বৰে মোক অকলে কিয় ইমান দিনে কষ্টত থাকিবলৈ দিছে বুলি আপুনি ভাবি আছেনে? চিন্তা নকৰিব। আপুনি ঈশ্বৰৰ বাবে যিকোনো কাৰ্য কৰি আছে আৰু পৰীক্ষাবোৰৰ মাজেদি গৈ আছে সেই সকলো কথা ঈশ্বৰৰ সোঁৱৰণৰ পুস্তকত লিখা হৈ আছে। উপযুক্ত সময়ত ঈশ্বৰে সকলোকে জীৱন দিব আৰু সেইবোৰক আপোনালৈ আশীৰ্বাদত পৰিণত কৰিব। "যিহোৱালৈ অপেক্ষা কৰোতাবিলাকলৈ, তেওঁক বিচাৰোতা প্ৰাণলৈ তেওঁ মংগলময়" (বিলাপ ৩ঃ২৫)।

****

RNI NO. TNASS/2000/2335, Postal Regn. No. TN/CH(C)/204/18-20 WPP NO. TN/PMG(CCR)/WPP-262/18-20

# তেওঁৰ আহবানৰ প্ৰতিধ্বনি

**১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি**

**বাৰ্ষিক বৰঙণি ১০০/- টকা**

**জীৱিতৱস্থাত বৰঙণি ২০০০/- টকা**

তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাৰ বহুবিদীয়া কাৰ্যসমূহক আপোনাৰ দৰে ঈশ্বৰৰ সন্তানসকলে দিয়া দান আৰু বৰঙণি দ্বাৰাই চলোৱা হয়। যদি ঈশ্বৰে আপোনাক চলাই, আপুনিও তেওঁৰ আহবানৰ প্ৰতিধ্বনিলৈ আৰ্থিক সহায় পঠাব পাৰে। প্ৰভুৰ শুভবাৰ্তা নোপোৱা ঠাইবিলাকত শুভবাৰ্তা পঠাবলৈ আমাক আৰ্থিক সহায়ৰ প্ৰয়োজন আছে।

যদি আপুনি আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ আলোচনীখন পাবলৈ ইচ্ছা কৰে, তেন্তে আমালৈ পত্ৰ লিখক। যদি আপুনি আপোনাৰ ডাকঘৰৰ ঠিকনা বা ই-মেইল সলনি কৰিবলগীয়া হয়, অনুগ্ৰহ কৰি আমাক জনাওক।

আমাৰ ৱেবচাইটত ১৬ টা ভাষাত তেওঁৰ আহবানৰ প্ৰতিধ্বনি পোৱা যাব। চাইটত চাই বা ডাউনলোড কৰি আপুনি পঢ়িব পাৰে আৰু আশীৰ্বাদো পাওক।

আপোনাৰ পত্ৰ, প্ৰাৰ্থনা অনুৰোধসমূহ আৰু আপোনাৰ আৰ্থিক সহায় (ডি.ডি. চেকৰ দ্বাৰা বা এম.অ' ইত্যাদি) তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ বাবে তলত দিয়া ঠিকনালৈ পঠাওক।

অনুগ্ৰহ কৰি আপোনাৰ লেণ্ড ফোন/চেল ফোন নং আৰু ই-মেইল ঠিকনা পঠাওক।

ECHO OF HIS CALL
10, MOHAMMED ABDULLAH 2ND STREET,
CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 95661 31858
E-mails : sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites : www. echoofhiscall.org / www.echoofhiscall.com

**আপুনি আপোনাৰ বৰঙণিসমূহ অনলাইনৰ যোগেদিও পঠিয়াব পাৰে**

**অনুগ্ৰহ কৰি আমাৰ মূখ্য কাৰ্য্যালয়ৰ পৰিচৰ্য্যাবিলাকৰ বাবে প্ৰাৰ্থনা কৰক**

১। প্ৰাৰ্থনা সেৱা ঃ ২৪ ঘণ্টা
২। **বিব্লিকৰ** - বাইবেল সম্বন্ধীয় যোগাযোগ প্ৰশিক্ষণ ঃ ইংৰাজী, হিন্দী আৰু তামিল।
৩। **তেওঁৰ আহবানৰ প্ৰতিধ্বনি** আলোচনী ঃ ইংৰাজী, তামিল, মালায়ালম, তেলেগু, হিন্দী, কানাড়া, মাৰাঠী, গুজৰাটী, বেঙ্গলী, উৰিয়া, নেপালী, অসমীয়া, পঞ্জাৱী; উৰ্দু, সিংহালী আৰু আফ্ৰিকান।
৪। নহিমিয়া বাইবেল মহাবিদ্যালয় (দুটা শাখা)।
৫। ঈশ্বৰ বিষয়ক যোগাযোগৰ পাঠ্যক্ৰম ঃ ইংৰাজী আৰু তামিল।
৬। প্ৰধান আজ্ঞাৰ অংশীদাৰসকল
৭। প্ৰশিক্ষণ কাৰ্য্যসূচী।
৮। সভা।
৯। পত্ৰিকা পৰিচৰ্য্যা - স্থিৰভাৱে অনুসৰণ কৰা।
১০। শুভবাৰ্ত্তা মুদ্ৰণ - ছপাশালা প্ৰকাশ কৰা।
১১। চেইণ্ট পৌল মেট্ৰিকুলেশ্বন স্কুল - গ্ৰাম্য উচ্চ মাধ্যমিক বিদ্যালয়।
১২। দেওবৰীয়া স্কুল ঃ পুৱা ৮.৩০, বিয়লি ৪.০০ দেওবাৰ
১৩। তামিল উপাসনা ঃ পুৱা ৫.৩০,৭.০০ আৰু ১০.০০ দেওবাৰ
১৪। মালায়ালম প্ৰাৰ্থনা সভা ঃ আবেলি ২.০০ দেওবাৰ
১৫। তেলেগু উপাসনা ঃ আবেলি ৪.০০ দেওবাৰ
১৬। হিন্দী উপাসনা ঃ আবেলি ৫.০০ দেওবাৰ
১৭। ইংৰাজী আৰু তামিল সেৱা ঃ সন্ধ্যা ৬.০০ বজাত দেওবাৰ
১৮। পালকসকলৰ পৰামৰ্শ ঃ আবেলি ৪.০০ বজাত দেওবাৰ
১৯। মহিলাসকলৰ প্ৰাৰ্থনা সভা ঃ সন্ধ্যা ৫.৩০ বজাত বুধবাৰ
২০। মধ্য সপ্তাহৰ বাইবেল অধ্যয়ন ঃ সন্ধ্যা ৬.৩০ বজাত বুধবাৰ
২১। পুৰুষসকলৰ বিশেষ উপাসনা ঃ গধূলি ৭.০০ বজাত শুক্ৰবাৰ
২২। কৰ্ম্মকৰ্ত্তা সকলৰ সভা ঃ সন্ধ্যা ৬.০০ বজাত শনিবাৰ
২৩। গৃহ সভা ঃ সন্ধ্যা ৬.৩০ বজাত সোমবাৰ আৰু মঙ্গলবাৰ
২৪। বিশেষ প্ৰভু ভোজ ঃ পুৱা ৫.৩০ প্ৰত্যেক মাহৰ প্ৰথম দিনত
২৫। পালকসকলৰ নিৰীক্ষণ সভা ঃ সন্ধ্যা ৫.৩০ প্ৰত্যেক মাহৰ প্ৰথম শনিবাৰ
২৬। অভিভাৱক সকলৰ প্ৰাৰ্থনা সভা ঃ আবেলি ৪-০০ বজাত প্ৰথম দেওবাৰ
২৭। নিশাৰ প্ৰাৰ্থনা ঃ গধুলি ৯.৩০ দ্বিতীয় শুক্ৰবাৰ
২৮। উপবাস প্ৰাৰ্থনা ঃ পুৱা ৯.৩০ প্ৰথম শনিবাৰ
২৯। প্ৰভু ভোজ ঃ দ্বিতীয় দেওবাৰৰ উপাসনাত
৩০। পুৱাৰ উপাসনা ঃ পুৱা ৫.৩০ বজাত দৈনিক
৩১। কৰ্মচাৰী সকলৰ উপাসনা ঃ পুৱা ৯.০০ টা দৈনিক
৩২। কাৰ্য্যালয় ঃ পুৱা ৯.০০ টাৰ পৰা ৰাতি ৯.০০লৈ (দেওবাৰৰ বাদে)।

RNI NO. TNASS/2000/2335
Postal Regn. No. TN/CH/(C)/204/18-20
WPP NO. TN/PMG(CCR) / WPP- 262/18-20
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at "Egmore RMS / 1 Patrika Channel"
on 12th FEBRUARY 2020
If un-delivered please return to:
ECHO OF HIS CALL (ASSAMESE)
P.O. Box No. 2957,
Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766

***JESUS LOVES YOU!***

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from No.10, Mohammed Abdullah Street, Chepauk, Chennai-600 005 and printed by him at **Echo of His Call Printers** No. 10, Mohammed Abdullah Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**